**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 12-07-2025 **Time :** 1845 Hrs.

## Assamese Evening Bulletin
## Headlines

১। সোণাপুৰৰ বগীবাৰীত দেশৰ প্ৰথমখন জল প্ৰযুক্তি উদ্যান মুকলি কৰি অসম সম্প্ৰতি দেশৰ চতুৰ্থ সৰ্ববৃহৎ মৎস্য উৎপাদকাৰী ৰাজ্য বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
২। গোৱালপাৰাৰ পাইকান সংৰক্ষিত বনাঞ্চলত প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ বাবে প্ৰশাসনৰ উচ্ছেদ অভিযান।
৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তিপত্ৰ বিতৰণ।
৪। গুৱাহাটী শিশু মহোৎসৱৰ তৃতীয় দিনা চানমাৰিৰ বাকৰিত শিশুৰ উলহ-মালহ। *আৰু*
৫। লৰ্ডছ টেষ্টৰ আজি তৃতীয় দিনা ভোজন বিৰতিলৈকে ভাৰতৰ প্ৰথম ইনিংছত ৪ উইকেটৰ বিনিময়ত ২৪৮ ৰাণ সংগ্ৰহ।

ৰাজ্যত ২০১৯ চনৰ পৰা ২০২৪ চনৰ ভিতৰত মাছৰ উৎপাদন দুগুণলৈ বৃদ্ধি পাই ৪ লাখ ৯৯ হাজাৰ মেট্ৰিক টন হৈছে আৰু ৰাজ্যখনৰ সম্প্ৰতি দেশৰ চতুৰ্থ সৰ্ববৃহৎ মৎস্য উৎপাদকাৰী হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ বগীবাৰীত আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা কলং-কপিলীৰ সহযোগিতাত দেশৰ প্ৰথমখন জল প্ৰযুক্তি উদ্যান বা একুৱাটেক পাৰ্ক মুকলি কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসমে সকলো ক্ষেত্ৰত দেশৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিবলৈ সমৰ্থ হ'ব। ড০ শৰ্মাই কয় যে একুৱাটেক পাৰ্কখনে ৰাজ্যত মাছৰ উৎপাদন বৃদ্ধিত অৰিহনা যোগাব আৰু যুৱক-যুৱতীসকলৰ বাবে আয়ৰ অপাৰ সুযোগ প্ৰদান কৰিব। উদ্যানখন মীন পালন খণ্ডৰ বিকাশৰ আৰ্হিৰূপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে দ্বৈত ইঞ্জিনযুক্ত চৰকাৰখনে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ দৰে আঁচনিৰ জৰিয়তে ৰাজ্যত মীন পালন খণ্ডৰ বিকাশৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে চৰকাৰে ৰাজ্যৰ মীন পালন খণ্ডক পুনৰুজ্জীৱিত কৰি তোলাই নহয়, বৰং ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাতো ফেৰ মাৰিব পৰা কৰি তুলিছে।

বাইট (চি এম)

আজি মুকলি কৰা উদ্যানখনৰ জৰিয়তে একুৱাপনিক্স, বায়'ফ্লক, মাছৰ আধুনিক খাদ্য উৎপাদন, আলংকাৰিক মাছৰ প্ৰজনন আদিৰ দৰে প্ৰযুক্তিসমূহৰ ব্যৱহাৰ প্ৰদৰ্শিত হ'ব।

০০০০০০

গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলত আজি বন বিভাগ আৰু প্ৰশাসনে বিদ্যাপাৰা, আশুডুবি আৰু বেতবাৰীত অভিযান চলাই প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰে আৰু এহেজাৰ ৮০টা পৰিয়ালক উচ্ছেদ কৰে। ২০২৪ চনৰ নৱেম্বৰ-ডিচেম্বৰত পৰিয়ালকেইটাক সেই ঠাই খালী কৰাৰ কাৰণে জাননী জাৰি কৰা হৈছিল। জাননী পোৱাৰ পাছত ৮০ শতাংশ পৰিয়ালে নিজে নিজে সেই ঠাই ত্যাগ কৰিছিল যদিও বাকী পৰিয়ালসমূহক আজি উচ্ছেদ কৰা হয়। জিলা বন বিষয়া তেজছ মৰিস্বামীয়ে উচ্ছেদ অভিযান সম্পৰ্কত এইদৰে কয়-

**বাইট (ডি এফ অ)**

উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো ধৰণৰ বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ নহয়, তাৰ বাবে অঞ্চলটোত ভালেসংখ্যক আৰক্ষী আৰু বনকৰ্মী নিয়োগ কৰা হৈছে। উচ্ছেদৰ সময়ত বিধায়ক ৰফিকুল ইছলামৰ নেতৃত্বত এ আই ইউ ডি এফৰ বিধায়কৰ এটি আঠজনীয়া উচ্ছেদথলী প্ৰবেশৰ চেষ্টা চলায় যদিও আৰক্ষীয়ে তেওঁলোকক বাধা প্ৰদান কৰে। ইয়াৰ পাছত

বিধায়ককেইগৰাকীয়ে উচ্ছেদস্থলীৰ প্ৰৱেশ পথত প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ দল আৰু আম আদমী পাৰ্টিয়েও উচ্ছেদৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

উচ্ছেদ অভিযান সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ থকা দিশসমূহ বিবেচনা কৰিহে উচ্ছেদ অভিযানৰ বাবে ৰাজ্য চৰকাৰে আগবাঢ়িছে। এই ক্ষেত্ৰত ৰাজনীতি কৰিব বিচৰাসকলৰ কথাক মান্যতা প্ৰদানৰ বিষয়টো অপ্ৰাসংগিক বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তিপত্ৰ বিতৰণ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমোদীয়ে নিযুক্তি মেলাই যুব প্ৰজন্মৰ সৱলীকৰণ আৰু তেওঁলোকক বিকশিত ভাৰত গঢ়াৰ প্ৰক্ৰিয়াৰ অনুঘটক কৰি তোলাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক সূচাইছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত কৰ্মসংস্থাপন সৃষ্টিৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰাৰ বাবে বিগত এঘাৰ বছৰত দেশখনে প্ৰতিটো ক্ষেত্ৰতে অগ্ৰগতি লাভ কৰিছে। দৰিদ্ৰ লোকৰ বাবে ৪ কোটিৰো অধিক আৱাস গৃহ নিৰ্মাণ, ১০ কোটিৰো অধিক ৰন্ধন গেছৰ নতুন সংযোগ আৰু ছাদৰ ওপৰত সৌৰ প্ৰকল্পকে ধৰি বিভিন্ন কাৰ্যসূচীৰে লাখ লাখ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এই কাৰ্যসূচীৰ অধীনত এতিয়ালৈ ১০ লাখৰো অধিক নিযুক্তিপত্ৰ বিতৰণ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক অভিনন্দন জনাই শ্ৰীমোদীয়ে কয়, যে চৰকাৰৰ নিযুক্তি মেলা উদ্যমৰ জৰিয়তে লাখ লাখ যুৱক-যুৱতীয়ে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অধীনত স্থায়ী নিযুক্তি লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে এই যুৱক-যুৱতীসকলে সম্প্ৰতি ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ লৈছে।

নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানৰ অংশ হিচাপে আজি অসমসহ দেশৰ ৪৭টা স্থানত আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ মালিগাওঁৰ ৰং ভৱনত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২৩৩ গৰাকী নৱ নিযুক্তক নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীসোণোৱালে কয় যে দেশৰ নেতা সৎ, কঠোৰ আৰু পৰিশ্ৰমী হোৱাৰ লগতে জনগণৰ কল্যানৰ বাবে নিষ্ঠাৰে কাম কৰিলে সফলতা সম্ভৱ হৈ উঠে। বিগত এঘাৰ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত বিশ্বৰ ভিতৰত অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে বুলি তেওঁ উল্লেখ কৰে।

**বাইট ঃ সৰ্বানন্দ**

নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, কৰ্মচাৰী আৰু ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন, শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়, ৰাজহ বিভাগ, ডাক বিভাগ আৰু উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰালয়ে এই বিভাগত যোগদান কৰিব।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱৰ আজি তৃতীয় দিনাও ডেৰ শতাধিক শিশু চেমনীয়াই কৰ্মশালাত অংশগ্ৰহণ কৰে। নাটক, নৃত্য, মুকাভিনয় আৰু সুকুমাৰ কলাৰ এই কৰ্মশালা পুৱা ১০ বজাত আৰতি হাজৰিকাৰ যোগাসন প্ৰশিক্ষণেৰে শুভাৰম্ভ কৰা হয়। বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক ৰবিজিতা গগৈ, নাট্য শিল্পী, ৰাজীৱ কুমাৰ সাউদ আৰু সোনম দেৱীয়ে নাট কৰ্মশালাত প্ৰশিক্ষণ দিয়ে। বিশিষ্ট মুকাভিনয় শিল্পী মইনুল হকে মুকাভিনয় আৰু দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকাই সুকুমাৰ কলাৰ কৰ্মশালাৰ সমল ব্যক্তি হিচাপে অংশ লয়। যশস্বী নৃত্য পৰিচালক কমল নাথ আৰু প্ৰিয়ংকা কাশ্যপে নৃত্য তথা ৰাজ আহমেদ আৰু দীপক দাসে সংগীতৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ দিয়ে। বিয়লি ৩ বজাৰ পৰা অনিলাভা চেটাৰ্জী পৰিচালিত মেছি নামৰ শিশু চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। এভাৰেষ্ট জয়ী প্ৰখ্যাত পৰ্বতাৰোহী তৰুণ শইকীয়াই চলচ্চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে। বিয়লি চাৰে চাৰি বজাৰ পৰা অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচী বিশিষ্ট সংগীত শিল্পী, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন বিষয়া অৱনী ৰঞ্জন পাঠকে উদ্বোধন কৰে। মহোৎসৱৰ বাকৰিত কাইলৈ সঁফুৰা বৃত্তি প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপৰি কেইবাগৰাকীও সাহিত্যিক আৰু সাংবাদিক উপস্থিত থকাৰ কথা।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত উদ্ভৱ হোৱা বান পৰিস্থিতিৰ বুজ ল'বলৈ কাইলৈ জিলাখনলৈ ৰাওনা হ'ব। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে সৰুপথাৰৰ বিধায়ক বিশ্বজিত ফুকনে আজি সৰুপথাৰ সমজিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে চেৰাগুৰি ফিল্ডত হেলিপেডৰ স্থান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ টা ৰাজহ  চক্ৰৰ বিস্তীৰ্ণ অঞ্চল আজি প্ৰায় ৮ দিন ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

আই আই টি গুৱাহাটীৰ কাইলৈ ২৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠিত হ'ব। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযন্তা বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ড° ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকিব। আই আই টি গুৱাহাটীৰ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া সমাৱৰ্তনত এইবেলি মুঠ ২ হেজাৰ ৯৩ গৰাকীক ডিগ্ৰী প্ৰদান কৰা হ'ব। শিক্ষা প্ৰতিষ্ঠানখনত  ১৯৯৯ চনৰ সমাৱৰ্তন তথা ২৬ বছৰৰ পিছত ২৪ হাজাৰ ৭০০ ৰো অধিক শিক্ষাৰ্থীক একেলগে ডিগ্ৰী প্ৰদান কৰা হ'ব। কাইলৈৰ সমাৱৰ্তনত ১০৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰী প্ৰদান কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড' শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪ টা স্বৰ্ণ পদক প্ৰদান কৰা হ'ব।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সোণাপুৰত কাৰ্বি জনগোষ্ঠীয় লোকৰ হিতাৰ্থে কাৰ্বি-আ-দৰবাৰত এটা সমূহীয়া ভৱন উদ্বোধন কৰে। জনজাতীয় কল্যাণ বিভাগৰ পুঁজিৰে ৫০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ভৱনৰ জৰিয়তে বৃহত্তৰ সোণাপুৰ অঞ্চলৰ কাৰ্বি সমাজ সামগ্ৰিকভাৱে লাভান্বিত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে ভৱনৰ চাৰিসীমাৰ পকী দেৱাল আৰু প্ৰৱেশ পথ নিৰ্মাণৰ বাবে ৩৫ লাখ টকাৰ আন এখন আঁচনিৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ লৰ্ডছত তৃতীয় টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে প্ৰথম ইনিংছত বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ টা উইকেটৰ  বিনিময়ত ২৭৪ ৰান সংগ্ৰহ কৰিছে। ভাৰতে দ্বিতীয় দিনৰ অন্তত তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪৫ ৰানৰ পৰা খেল আৰম্ভ কৰি ভোজন বিৰতিলৈ  ৪ উইকেটৰ বিনিময়ত ২৪৮ ৰাণ সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পূৰ্বে ৭৪ ৰান সংগ্ৰহ কৰি ঋষভ পণ্ট ৰান আউট হয়। ভোজন বিৰতিৰ পিছত কে এল ৰাহুলে এশ ৰান সম্পূৰ্ণ কৰাৰ পাছতে ছৈয়ব বছিৰৰ বলত আউট হয়। বৰ্তমান ৰবিন্দ্ৰ জাদেজাই ৯ ৰান আৰু নীতিশ কুমাৰ ৰেড্ডীয়ে কোনো ৰান নকৰাকৈ খেলি আছে।  ভাৰত  বৰ্তমান ১১৯ ৰানৰ পিছ পৰি আছে।

৫ খনীয়া এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাৰ তৃতীয়খন টেষ্টৰ প্ৰথম ইনিংছত ঘৰুৱা দল ইংলেণ্ডে ৩৮৭ ৰান সংগ্ৰহ কৰিছিল।

০০০০০০০

বাক্সা জিলাৰ বিশিষ্ট সাহিত্যিক, নলবাৰী জিলা সাহিত্য সভা আৰু নলবাৰী জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক ধনেশ্বৰ হুজুৰীৰ কালি গুৱাহাটীৰ ছয়মাইলৰ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। শিক্ষকতা আৰু সাংবাদিকতাৰ লগতে বিভিন্ন সামাজিক সংগঠনৰ সৈতে ওতঃপ্ৰোতঃভাৱে জড়িত হুজুৰীৰ বিয়োগত ভালেসংখ্যক দল-সংগঠন আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**